# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

পূৰ উপকূলীয় ৰেলৰে অঞ্চলত ঘূৰ্ণিবতাহৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ পূৰ সীমান্ত ৰেলৰে সুৰক্ষামূলক ব্যৱস্থা হিচাপে ৬ খন ৰেলৰ যাত্ৰা বাতিল কৰিছে। এই অনুসৰি কাইলৈ কামাখ্যা-বাংগালুৰু সংযোগী এছ্ এফ এক্সপ্ৰেছ, শিলচৰ-চেকেন্দৰাবাদ সংযোগী এছ্ এফ এক্সপ্ৰেছ্, ডিব্ৰুগড়ৰ পৰা কন্যাকুমাৰী অভিমুখী বিবেক এক্সপ্ৰেছ, বাংগালুৰু-গুৱাহাটী এক্সপ্ৰেছ, কন্যাকুমাৰী-ডিব্ৰুগড় বিবেক এক্সপ্ৰেছ্ আৰু বাংগালুৰুৰ পৰা মুঝফ্ফৰপুৰ জংচন অভিমুখী ৰেলগাড়ীকেইখনৰ যাত্ৰা বাতিল কৰা হৈছে।

০০০

নাগৰিকত্ব সংশোধনী আইন বিৰোধী আন্দোলনৰ সময়ত অপৰাধমূলক ষড়যন্ত্ৰৰ প্ৰচেষ্টা, সংঘৰ্ষ লগোৱাকে ধৰি কেইবাটাও ঘটনা সংক্ৰান্তত এন আই এৰ বিশেষ আদালতে আজি বিধায়ক অখিল গগৈৰ লগতে তেওঁৰ তিনিজন সতীৰ্থৰ বিৰুদ্ধে অভিযোগ আৰোপ কৰে। আদালতে অখিল গগৈৰ লগতে ধৈৰ্য কোঁৱৰ, বিতু সোণোৱাল আৰু মানস কোঁৱৰৰ বিৰুদ্ধে অভিযোগ আৰোপ কৰিছে। ইয়াৰ ফলত আটাইকেইজনৰ বিৰুদ্ধে আদালতত গোচৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। উল্লেখযোগ্য যে বে-আইনী কাৰ্যকলাপ প্ৰতিৰোধ আইন আৰু ভাৰতীয় দণ্ডবিধিৰ বিভিন্ন ধাৰাৰ অধীনত তেওঁলোকৰ বিৰুদ্ধে অভিযোগ আৰোপ কৰা হৈছে। অৱশ্যে আজি আদালতে নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠনৰ সৈতে সম্পৰ্ক ৰক্ষা আৰু ৰাষ্ট্ৰদ্ৰোহৰ গোচৰৰ পৰা অখিল গগৈক ৰেহাই দিছে। এই সন্দৰ্ভত বিধায়ক গগৈয়ে আদালতৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ কথা সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে।

০০০

ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে অহা ১৩ নৱেম্বৰত আৰম্ভ কৰিবলগীয়া দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ সফল কৰি তুলিবলৈ গোলাঘাট জিলাৰ আয়ুক্তৰ অধ্যক্ষতাত আজি এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। এই সভাত অতিৰিক্ত আয়ুক্তই খেল মহাৰণৰ প্ৰস্তুতি সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। এই প্ৰতিযোগিতাত গ্ৰামাঞ্চলৰ সকলো প্ৰতিযোগীক অংশগ্ৰহণ কৰোৱাৰ বাবে গুৰুত্ব দিবলৈ আজিৰ বৈঠকতে গাওঁ পঞ্চায়তৰ সদস্যসকলক আহ্বান জনোৱা হয়। তদুপৰি এই কাৰ্যসূচী সফলতাৰে সম্পন্ন কৰাৰ বাবে সকলো পক্ষৰ সহায়-সহযোগিতা কামনা কৰা হয়।

০০০

চৰাইদেউ জিলাৰ স্বাস্থ্য সমিতিৰ উদ্যোগত আজি জিলা অসামৰিক চিকিৎসালয়ত বিশ্ব আয়ডিনৰ অভাৱজনিত বিসংগতি প্ৰতিৰোধ দিৱস উদ্‌যাপন কৰা হয়। সুস্বাস্থ্য বজাই ৰখাত আয়ডিনৰ অপৰিহাৰ্য ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টিৰ লগতে আয়ডিনৰ অভাৱৰ ফলত শৰীৰত হ'ব পৰা সমস্যাৰ বিষয়ে জনসাধাৰণক সচেতন কৰিবলৈ এই দিনটো উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত চিকিৎসা বিষয়াসকলে আয়ডিনৰ প্ৰয়োজনীতা সন্দৰ্ভত ভাষণ দিয়ে।

০০০

ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে কাৰ্বি আংলং জিলাতো অহা ৫ নৱেম্বৰৰ পৰা ১৮ নৱেম্বৰলৈ কুষ্ঠ ৰোগ চিনাক্তকৰণ অভিযান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই উপলক্ষে ডিফুৰ স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত কুষ্ঠ ৰোগ চিনাক্তকৰণ অভিযানৰ জিলা সমন্বয়ক গঠনৰ সভা অনুষ্ঠিত হয়। সভাত কুষ্ঠ ৰোগৰ কাৰকসমূহ বিতংভাৱে আলোচনা কৰা হয়। সভাৰ জৰিয়তে জিলাখনৰ সকলো লোককে সহযোগিতাৰে কুষ্ঠ ৰোগ চিনাক্তকৰণত আগবাঢ়ি আহিবলৈ আহ্বান জনোৱা হয়।

০০০

শিৱসাগৰত অহা ২৫ অক্টোবৰৰ পৰা দুদিনীয়াকৈ হ'বলগীয়া নাক, কাণ আৰু ডিঙিৰ বিশেষজ্ঞ চিকিৎসকৰ বাৰ্ষিক সন্মিলনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। সন্মিলনখনত উত্তৰ-পূৰ্বাঞ্চলৰ ২৫০ গৰাকী প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাই জানিবলৈ দিছে। বাৰ্ষিক অধিৱেশনখনত নাক, কাণ আৰু ডিঙিৰ নতুন চিকিৎসা সন্দৰ্ভত আলোচনা চক্ৰ অনুষ্ঠিত কৰা হ'ব। লগতে ভালেকেইগৰাকী সমল ব্যক্তিয়ে অধিৱেশনত গৱেষণা পত্ৰ উপস্থাপন কৰিব। এই সন্মিলনতে চাৰিজন চিকিৎসকক জীৱনজোৰা সাধনাৰ বাবে বঁটা প্ৰদান কৰা হ'ব।

০০০

বৰপেটা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন জৰুৰী সভা জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। এই সভাত দুৰ্যোগৰ সময়ত ক্ষিপ্ৰতাৰে ল'বলগীয়া সিদ্ধান্ত আৰু গ্ৰহণ কৰিবলগীয়া অন্যান্য ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হয়। এই বৈঠকত ৰাজ্যিক দুৰ্যোগ প্ৰতিৰোধ পুঁজি চমুকৈ এছ ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ প্ৰস্তাৱসমূহত অনুমোদন জনোৱাৰ লগতে দুৰ্যোগ ব্যৱস্থাপনা বিষয়ত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকখনত লগতে জিলাখনত দুৰ্যোগৰ সময়, সুৰক্ষা আৰু প্ৰস্তুতি সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ উপৰি সাহায্য অভিযানৰ সৈতে জড়িত কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়া হয়। বৈঠকত জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বীসকল আৰু কেইবাগৰাকী বিধায়কে অংশগ্ৰহণ কৰে।

০০০

কাৰ্বি আংলং ক্ৰীড়া সন্থাৰ ডিফুৰ বহুমুখী ক্ৰীড়া প্ৰকল্পত আজি অসম ৰাজ্যিক কাৰাটে প্ৰতিযোগিতা আৰম্ভ হৈছে। অসমৰ আটাইকেইখন জিলা আৰু মহকুমাৰ ৩ হেজাৰ ৬০০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ ২৬ অক্টোবৰত সামৰণি পৰিব। চাব জুনিয়ৰ, কেডেট, জুনিয়ৰ আৰু ছিনিয়ৰ কেটেগৰিত প্ৰতিযোগিতা অনুষ্ঠিত হব। কাইলৈ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

০০০

গোৱালপাৰা জিলাৰ জিৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত দিপাংকৰ ৰাভা আৰু পল্লৱ ৰাভা সোঁৱৰণি তৃতীয় বাৰ্ষিক ফুটবল প্ৰতিযোগিতাত ভীমাজুলি ফুটবল দলে চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। আজি অনুষ্ঠিত ফাইনেলত দলটোৱে কুকুৰকাটা ফুটবল দলক ৫-১ গলত পৰাজিত কৰি বিজয়ীৰ সন্মান লাভ কৰে।

০০০

সমাপ্ত